## এক মিনিটৰ গল্প

# নাটঘৰ

— জিতুমণি পাঠক

বন্ধু প্ৰণৱ ডাক্তৰ। তাৰ চেম্বাৰৰ মুখত বৈ থাকোঁতেই চকু পৰিছিল পৰাগ হাজৰিকাক। কেইবাদিনো নকটা ডাড়ি-চুলি, অসংযত সাজ-পোছাকে ইংগিত কৰিছিল যে তেওঁৰ ওপৰেৰে পাৰ হৈ গৈছে চাগে এজাক প্ৰচণ্ড বা-মাৰলি। কিয় জানো তেওঁৰ জীৱনৰ বিষয়ে জানিবলৈ মই কৌতূহলী হৈ উঠিছিলো। আচৰিতভাৱে অতি কম সময়ৰ চিনাকিতে মোৰ আগত তেওঁ খুলি দিছিল জীৱনৰ এটি এটি কৰুণ পৃষ্ঠা। ভগৱানৰ ওপৰত যেন মোৰ তীব্ৰ বিদ্বেষ জাগি উঠিছিল। এগৰাকী মানুহৰ প্ৰতি ভগৱান বাৰু কিদৰে ইমান নিষ্ঠুৰ হ'ব পাৰে। অতি সৰুতেই পিতৃক হেৰুৱাইছিল হাজৰিকাই। বিধৱা মাকে তেওঁক, ককায়েক আৰু ভনীয়েকক অতি কষ্টৰে ডাঙৰ-দীঘল কৰিছিল। কিন্তু ককায়েকে হঠাৎ কোনো এক উগ্ৰপন্থী সংগঠনলৈ গুচি যোৱাৰ লগে লগে যেন সকলোবোৰ বিপদে যেন আকৌ হেঁচা মাৰি ধৰিলে। ককায়েকক বিচাৰি অহা সামৰিক বাহিনীৰ লোককেইজনে এদিন অতি বৰ্বৰতাৰে ভনীয়েকক ধৰ্ষণ কৰি হত্যা কৰিলে। বাধা দিবলৈ যোৱা মাককো বন্দুকৰে খুন্দিয়াই খুন্দিয়াই মাৰি পেলালে। হাজৰিকাকো গুৰুলা-গুৰুলকৈ কোবাই জীৱনলৈ ঘৃণীয়া কৰি পেলালে। কিছুদিন আগতে গম পালে হেনো সামৰিক বাহিনীৰ গুলীত ককায়েকৰো মৃত্যু হৈছে। মোৰ মুখৰ মাত হেৰাই গৈছিল। কি বুলিনো সান্ত্বনা দিম ভাবি পোৱা নাছিলো।

এনেতে প্ৰণৱে মোক মাতি পঠিয়ালে। মোৰ ভিতৰত জমা হোৱা গোটেইখিনি উষ্মা প্ৰণৱক দেখি বাহিৰ ওলাই আহিল। ক'লো— 'ইয়াৰ পাছতো বাৰু ভগৱানক পৰম কৰুণাময়, দয়াৰ সাগৰ বুলি কৈ থাকিবি নে?' সি মোলৈ আচৰিত হৈ চাই সুধিলে— 'কথাটোনো কি ভালকে ক'বি নে?' মই আকৌ উষ্মাভৰা কণ্ঠেৰেই ক'লো— 'তোৰ চেম্বাৰৰ বাহিৰত এজন ৰোগী বৈ আছে পৰাগ হাজৰিকা নামেৰে...' সি মোক মাজতে ৰখাই দিলে। মোলৈ চকু দুটা ঘোপা কৰি চাই সুধিলে— 'আজি তোক তেওঁ কি কাহিনী শুনালে?'

'মানে?'— তাৰ কথা শুনি মোৰ আচৰিত হোৱাৰ পাল।

'আচলতে কি জান, হাজৰিকা স্কিজোফ্ৰেনিয়াক। এগৰাকী মানসিক ৰোগী। অতি চহকী পৰিয়ালৰ একমাত্ৰ সন্তান তেওঁ। প্ৰতিভাৱান ল'ৰা আছিল। সুন্দৰ গল্প-কবিতা লিখিছিল। কিন্তু এতিয়া ৰোগে সেইবোৰ একেবাৰে নিঃশেষ কৰি পেলালে। আজিকালি সি নিজৰ জীৱনক লৈ কিছুমান অসংলগ্ন কাহিনী সৃষ্টি কৰি থাকে। এইমাত্ৰ তোক শুনালে যে তেনেকুৱা ধৰণৰ।'

স্তব্ধ-বিমূঢ় মই পিছলৈ ঘূৰি চালো। দুৱাৰৰ ফাঁকেৰে দেখিলো পৰাগ হাজৰিকাই কোনোবা এজনৰ সৈতে আন্তৰিকতাৰে কথা পাতি আছে। হয়তো জীৱনৰ এক নতুন কাহিনী শুনাইছে য'ত সকলোবোৰ চৰিত্ৰই কাল্পনিক।